# কুকুৰাৰ মহামাৰী ৰোগ প্ৰতিৰোধৰ ব্যৱহাৰিক উপায়

কুকুৰা পালনে স্বাধীনোত্তৰ ভাৰতবৰ্ষত গ্ৰাম্য অৰ্থনীতি অধিক টনকীয়াল কৰাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তি কৌশলৰ সঠিক প্ৰয়োগৰ দ্বাৰা নিম্নজাতৰ দেশীয় কুকুৰাৰ ঠাইত অধিক উৎপাদনক্ষম উন্নত সঁচৰ কুকুৰা উদ্ভাৱন কৰা হৈছে। আজি কুকুৰা পালন এক লাভজনক ব্যৱসায় হিচাপে উদ্যোগী লোকসকলৰ মাজত সমাদৃত। পিচে বিভিন্ন প্ৰকাৰৰ সংক্ৰামক ৰোগবোৰ এই উৎসাহী উদ্যোগৰ প্ৰধান অন্তৰায় হৈ পৰিছে। প্ৰতিষেধক চিটা প্ৰয়োগৰ দ্বাৰা কুকুৰাৰ মহামাৰী ৰোগসমূহ সহজে নিয়ন্ত্ৰণ কৰিব পাৰি। চিটাৰ সুফল পাবলৈ কুকুৰা পালকসকলে কেইটামান চৰ্ত গুৰুত্ব সহকাৰে মানি চলা আৱশ্যক।

- চিটাত থকা নিৰূপিত পৰিমাণৰ বীজাণুৱেহে কুকুৰাৰ দেহত আৱশ্যকীয় প্ৰতিৰোধ ক্ষমতা সময়ত সৃষ্টি কৰিব পাৰে। সেয়েহে প্ৰতিষ্ঠিত আৰু অনুমোদিত প্ৰতিষ্ঠানৰ চিটা প্ৰয়োগ কৰা আৱশ্যক।
- চিটা প্ৰস্তুত কৰা সময়ৰ পৰা কুকুৰাৰ চিটা দিয়াৰ আগমূহুৰ্ত্তলৈ চিটা নিম্ন উষ্ণতাত (৪° চেলচিয়াচ) সংৰক্ষণ কৰিব লাগে।
- চিটা দিয়াৰ এসপ্তাহ আগত কুকুৰা জাকক পেলুৰ ঔষধ খুউৱাই মুক্ত কৰি ল'ব লাগে।
- ৰাতিপুৱা বেলিৰ উত্তাপ বাঢ়ি অহাৰ আগতে গৰালৰ আটাইকেইটা কুকুৰাক একে দিনাই চিটা দিব লাগে। প্ৰস্তুত কৰি লোৱা চিটাখিনি যথাসম্ভৱ ১-২ ঘন্টাৰ ভিতৰত ব্যৱহাৰ কৰি শেষ কৰিব লাগে।
- কুকুৰাৰ দানাৰ লগত ৰোগ প্ৰতিৰোধ বাৰ্দ্ধক (লেভামিজ'ল, ষ্ট্ৰেচ্ৰ'ক) মিশ্ৰণ হিচাবে নিতৌ ব্যৱহাৰ কৰিলে প্ৰতিৰোধ ক্ষমতা বহুখিনি বৃদ্ধি পায়।
- কুকুৰা জাকত ৰোগ চলি থকাৰ সময়ত চিটা দিয়া অনুচিত।
- বিভিন্ন ৰোগৰ চিটা এক নিৰ্দ্ধাৰিত সময়সূচী অনুসাৰে প্ৰয়োগ কৰা আৱশ্যক।
- সময়ে সময়ে বিশেষজ্ঞৰ দ্বাৰা চিটাৰ ফলত কুকুৰাৰ দেহত সৃষ্টি হোৱা প্ৰতিৰোধক ক্ষমতাৰ মান পৰীক্ষা কৰি চাব লাগে।

**প্ৰতিষেধক চিটাৰ সময়সূচী ঃ**

| ক্ৰ.নং. | কুকুৰাৰ বয়স | প্ৰতিষেধক চিটাৰ প্ৰকাৰ | |
|---|---|---|---|
| | | ব্ৰইলাৰৰ বাবে | কণী পৰা কুকুৰাৰ বাবে |
| ১ | এদিনীয়া পোৱালি | মাৰেকচ চিটা | মাৰেকচ চিটা |
| ২ | ৫-৭ দিন | ৰাণীখেত - এফ আই-বি-ডি | ৰাণীখেত- এফ আই-বি-ডি |
| ৩ | ১৪-১৬ দিন | ৰাণীখেত - এফ | ৰাণীখেত-এফ পিজিওন পক্স |
| ৪ | ২০ দিন | আই-বি | আই-বি |
| ৫ | ২৪-২৬ দিন | আই-বি-ডি | আই-বি-ডি |
| ৬ | ৩০ দিন | - | ৰাণীখেত - এফ |
| ৭ | ৩৫-৪০ দিন | - | আই-বি-ডি |
| ৮ | ৮ সপ্তাহ | - | আৰ-২-বি |
| ৯ | ১০ সপ্তাহ | - | ফাউল প'কস্ |
| ১০ | ১৩ সপ্তাহ | - | আই-বি |
| ১১ | ১৮ সপ্তাহ | - | আৰ-২-বি |
| ১২ | ২০ সপ্তাহ | - | আৰ-২-বি |

*****

**(উৎস ঃ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩)**